# REGIONAL NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 23-05-2025
**Time :** 0900 hrs

*Assamese Morning Bulletin*

# HEADLINES

১। ২০২৭-২৮ বিত্তীয় বৰ্ষত ৰাজ্যৰ মুঠ ঘৰুৱা উৎপাদন ১০ লাখ কোটি টকালৈ বৃদ্ধিৰ পৰিকল্পনা সন্দৰ্ভত কেন্দ্ৰীয় বিত্তমন্ত্ৰীৰ সৈতে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ আলোচনা।

২। যোৰহাট-মাজুলী দলঙৰ বাবে পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰালয়ৰ পুনৰ নিবিদা প্ৰক্ৰিয়া মুকলি।

৩। মণিপুৰৰ নৃগোষ্ঠীয় হিংসাৰ সৈতে জড়িত গোচৰসমূহৰ বিচাৰৰ বাবে এন আই এৰ বিশেষ আদালত গঠন।

৪। অপাৰেচন সিন্দূৰৰ সফলতা আৰু দেশৰ সৈনিকসকলৰ বীৰগাথা প্ৰচাৰৰ আকাশবাণীৰ শৃংখলাত আজি গোৱালপাৰা জিলাৰ দীঘলীগাঁৱৰ অৱসৰপ্ৰাপ্ত সেনাবাহিনীৰ জোৱান উমাকান্ত বড়োৰ অভিমত।

**আৰু**

৫। প্ৰথম খেলো ইণ্ডিয়া বীচ্চ গেমছৰ ছেপাক টাক্ৰোত অসমৰ ল'ৰাৰ দলৰ সোণৰ পদক অৰ্জন।

ooooo

২০২৭-২৮ বিত্তীয় বৰ্ষত ৰাজ্যৰ মুঠ ঘৰুৱা উৎপাদন ১০ লাখ কোটি টকালৈ বৃদ্ধি কৰাৰ পৰিকল্পনা কৰা হৈছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি নতুন দিল্লীত কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণৰ সৈতে এটা ফলপ্ৰসূ আলোচনাত মিলিত হৈ এই কথা প্ৰকাশ কৰে। মুখ্যমন্ত্ৰীয়ে কেন্দ্ৰীয় বিত্তমন্ত্ৰীগৰাকীক অসম চৰকাৰে ৰাজ্যৰ অৰ্থনৈতিক দিশটো শক্তিশালী কৰাৰ বাবে গ্ৰহণ কৰা পদক্ষেপসমূহৰ বিষয়ে অৱগত কৰি অনাগত দিনত ৰাজ্যখনত ৰূপায়ণ হ'বলগীয়া কেইবাটাও প্ৰকল্পৰ সন্দৰ্ভত আলোচনা কৰে। তেওঁ বিশেষকৈ নামৰূপত নতুন সাৰ কাৰখানা স্থাপনৰ কাম শীঘ্ৰেই আৰম্ভ কৰাত গুৰুত্ব আৰোপ কৰে। ড০ শৰ্মাই কেন্দ্ৰীয় চৰকাৰে ৰাজ্যখনৰ বাবে প্ৰদান কৰা ধন সময়মতে মোকলাই দিয়াৰ বাবেও শ্ৰীমতী সীতাৰমণক অনুৰোধ জনায়। এই আলোচনাকালত ৰাজ্যখনৰ বিকাশৰ ৰূপৰেখাক প্ৰাধান্য দি দ্ৰুতগতিত উন্নয়নেৰে সমৃদ্ধ হোৱা দেশৰ আন ৰাজ্যসমূহৰ ভিতৰত অসমকো অন্তৰ্ভুক্ত কৰাৰ বিষয়ত আলোচনা কৰা হয়।

মুখ্যমন্ত্ৰী শৰ্মাই ইয়াৰ পূৰ্বে কেন্দ্ৰীয় শিক্ষা মন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানক সাক্ষাৎ কৰি ৰাজ্যৰ শিক্ষা ব্যৱস্থা সন্দৰ্ভত বিস্তৃতভাৱে আলোচনা কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে মূলতঃ গুৱাহাটীত ভাৰতীয় ব্যৱস্থাপনা প্ৰতিষ্ঠান, আই আই এমৰ চৌহদ কাৰ্যকৰী কৰাৰ সময়সীমাৰ বিষয়ে আলোচনা কৰে।

ooooo

পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰালয়ে যোৰহাট-মাজুলী দলঙৰ বাবে নিবিদা প্ৰক্ৰিয়া পুনৰ মুকলি কৰিছে। ৬ কিলোমিটাৰৰো অধিক দৈৰ্ঘ্যৰ দুইলেনযুক্ত এই দলংখনৰ নিৰ্মাণ ব্যয় আনুমানিক ৬০০ কোটি ৫১ লাখ টকা হ'ব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমৰ এটা বাৰ্তাত প্ৰকাশ কৰিছে। ড০ শৰ্মাই এই সদিচ্ছামূলক প্ৰয়াসৰ বাবে কেন্দ্ৰীয় পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰীক কৃতজ্ঞতা জ্ঞাপন কৰিছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত ৰাইজিং নৰ্থ ইষ্ট বিনিয়োগকাৰী সন্মিলন মুকলি কৰিব। উত্তৰ-পূৰ্বাঞ্চলক সুযোগৰ ভূমি হিচাপে আলোকপাত কৰাৰ লগতে আন্তঃৰাষ্ট্ৰীয় আৰু ঘৰুৱা বিনিয়োগ আকৰ্ষণ কৰাৰ উদ্দেশ্যে আয়োজন কৰা এই দুদিনীয়া সন্মিলনৰ অংশ হিচাপে মন্ত্ৰী পৰ্যায়ৰ সত্ৰ, বৈঠক, ষ্টাৰ্ট আপ আৰু নীতি তথা বিনিয়োগত উদগনি যোগোৱাৰ বাবে ৰাজ্য চৰকাৰ আৰু কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন মন্ত্ৰালয়ে গ্ৰহণ কৰা ব্যৱস্থা সম্পৰ্কীয় প্ৰদৰ্শনীৰ আয়োজন কৰা হৈছে। এই সন্মিলনত ঘাইকৈ পৰ্যটন, আতিথ্য, কৃষি-খাদ্য প্ৰ-সংস্কৰণ আৰু আনুষংগিক খণ্ড, বস্ত্ৰ শিল্প, হস্ততাঁত, হস্তশিল্প, স্বাস্থ্য সেৱা, শিক্ষা আৰু দক্ষতা বিকাশ, তথ্য প্ৰযুক্তি, আন্তঃগাঁথনি, পৰিবহণ, শক্তি, মনোৰঞ্জন আৰু ক্ৰীড়া ক্ষেত্ৰৰ বিনিয়োগৰ প্ৰসাৰত গুৰুত্ব আৰোপ কৰা হ'ব।

এই দুদিনীয়া সন্মিলনেৰে পূৰ্বৰে পৰা অনুষ্ঠিত ৰোড শ্ব' আৰু ৰাজ্য চৰকাৰ সহযোগত কেন্দ্ৰীয় চৰকাৰে আয়োজন কৰা ৰাষ্ট্ৰদূতৰ বৈঠকৰো সামৰণি পৰিব।

ইপিনে, কেন্দ্ৰীয় যোগাযোগ আৰু উত্তৰ-পূব উন্নয়ন দপ্তৰৰ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াই কালি এই সন্মিলনৰ পূৰ্বে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত উত্তৰ পূৰ্বাঞ্চলত অৰ্থনীতি আৰু আন্তঃগাঁথনিৰ ক্ষেত্ৰত হোৱা অগ্ৰগতিৰ বিষয়ে আলোকপাত কৰে। তেওঁ কয় যে প্ৰধানমন্ত্ৰীৰ সংকল্প আৰু প্ৰৱল ইচ্ছাশক্তিয়ে উত্তৰ পূৰ্বাঞ্চলৰ আঠোখন ৰাজ্যক বিশ্বৰ উন্নয়ন আৰু প্ৰগতিৰ যাত্ৰাত অৱদান আগবঢ়াব পৰাকৈ পূৰ্ণৰূপে সাজু কৰি তুলিছে। কেন্দ্ৰীয় বাজেটত অঞ্চলটোৰ বাবে ১০ শতাংশ ধন আবণ্টনৰ কথা উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয় যে অঞ্চলটোত ৬ লাখ কোটি টকা বিনিয়োগ কৰা হৈছে। ইয়াৰ উপৰি অঞ্চলটোৰ বিভিন্ন ৰাজ্যলৈ কৰ হস্তান্তৰ কাৰ্যসূচীৰ অধীনত ৫ লাখ ২৫ হাজাৰ কোটি টকা প্ৰদান কৰা হৈছে বুলি শ্ৰীসিন্ধিয়াই জানিবলৈ দিয়ে। তেওঁ কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত উত্তৰ পূৰ্বাঞ্চলৰ প্ৰতি বিনিয়োগকাৰীসকলৰ ধাৰণা সলনি হৈছে। এই সন্দৰ্ভত মন্ত্ৰীগৰাকীয়ে এইদৰে কয়-

**বাইট (জ্যোতিৰাদিত্য সিন্ধিয়া)**

ooooo

কেন্দ্ৰীয় চৰকাৰে মণিপুৰৰ নৃগোষ্ঠীয় হিংসাৰ সৈতে জড়িত গোচৰসমূহৰ বিচাৰৰ বাবে এখন বিশেষ এন আই এ আদালত গঠন কৰিছে। কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ে মণিপুৰ উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশৰ পৰামৰ্শ অনুসৰি চুৰাচান্দপুৰ জিলাৰ এখন ছেছন আদালতক ৰাষ্ট্ৰীয় তদন্ত সংস্থা এন আই এয়ে তদন্ত কৰা গোচৰসমূহৰ বিচাৰৰ বাবে বিশেষ আদালত হিচাপে অভিহিত কৰিছে। গৃহ মন্ত্ৰালয়ে এই সন্দৰ্ভত জাৰি কৰা অধিসূচনা অনুসৰি সমগ্ৰ মণিপুৰ এই আদালতৰ আওতাৰ ভিতৰত পৰিব।

এন আই এয়ে ৰাজ্যখনত ২০২৩ চনৰ ৩ মে'ত সূত্ৰপাত হোৱা নৃগোষ্ঠীয় সংঘৰ্ষৰ সৈতে জড়িত তিনিটা গুৰুত্বপূৰ্ণ গোচৰৰ তদন্ত কৰি আছে। ইয়াৰ ভিতৰত জিৰিবামত ছগৰাকী মহিলা আৰু শিশুৰ অপহৰণ আৰু হত্যাৰ ঘটনা অন্যতম। উল্লেখযোগ্য যে মণিপুৰৰ তদানীন্তন মুখ্যমন্ত্ৰী এন বিৰেণ  সিঙৰ পদত্যাগৰ পাছত যোৱা ১৩ ফেব্ৰুৱাৰীত ৰাজ্যখনত ৰাষ্ট্ৰপতি শাসন বলবৎ কৰা হৈছিল।

০০০০০

অপাৰেচন সিন্দূৰ আৰু ইয়াৰ পৰৱৰ্তী দিনকেইটাত সেনা বাহিনীয়ে লাভ কৰা সফলতাৰ পটভূমিত দেশৰ হকে অপৰিসীম সাহসেৰে যুঁজ দিয়া ৰাজ্যখনৰ প্ৰাক্তন সৈনিক, তেওঁলোকৰ পৰিয়াল আৰু সমাজৰ নেতৃস্থানীয় লোকৰ মতামত প্ৰচাৰৰ শৃংখলাত আজি আমি লগ পাওঁ আহক **গোৱালপাৰা জিলাৰ ধূপধৰা অঞ্চলৰ দীঘলীগাঁৱৰ উমাকান্ত বড়োক**। ১৯৫৯ চনত সেনাবাহিনীত জোৱান হিচাপে যোগদান কৰা উমাকান্ত বড়োৱে ১৯৮৮ৰ পৰা ১৯৯০ চনলৈ শ্ৰীলংকাৰ জাফনাত অগ্নিপৰন যুদ্ধত অৱতীৰ্ণ হৈ অপৰিসীম সাহসেৰে যুঁজ দিছিল। এই সময়ত তেওঁ গাত তিনিটাকৈ গুলীও লাগিছিল। অৱসৰপ্ৰাপ্ত সেনা জোৱানগৰাকীয়ে তেওঁৰ অভিজ্ঞতা সন্দৰ্ভত আমাৰ গোৱালপাৰাৰ সংবাদদাতা ৰাছিদুল হুছেইনৰ আগত এই মত ব্যক্ত কৰে। –

**(ৰাইট)**

০০০০০

ৰাজ্যত চলিত বৰ্ষত বান ৰোধ কৰাৰ বাবে ২৫০ কিলোমিটাৰ মথাউৰি নিৰ্মাণ কৰা হৈছে। জলসম্পদ বিভাগ আৰু আই আই টি গুৱাহাটীৰ মাজত বুজাবুজিৰ চুক্তি স্বাক্ষৰিত হোৱা এটা অনুষ্ঠানত ভাগ লৈ জলসম্পদ মন্ত্ৰী পীযূষ হাজৰিকাই এই কথা প্ৰকাশ কৰে।  তেওঁ কয়, যে মথাউৰিসমূহ যাতে বাৰিষাৰ বানে ছিগিব নোৱাৰে তাৰ বাবে অত্যাধুনিক পদক্ষেপ গ্ৰহণ কৰা হৈছে আৰু নিৰ্মাণ কৰা মথাউৰিসমূহৰ নিম্নভাগত এটাকৈ জিঅ' মেগা টিউব বহুওৱা হৈছে। বানে মেগা টিউবৰ ওপৰত থকা মাটিৰ কিছু অংশ খহাই নিলেও এই মেগা টিউবে মথাউৰি ছিগি যোৱাৰ পৰা ৰোধ কৰিব পাৰিব বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। যোৱা চাৰিটা বৰ্ষত জলসম্পদ বিভাগে বান প্ৰতিৰোধৰ বাবে যথেষ্ট কাম কৰিছে বুলি উল্লেখ কৰি শ্ৰীহাজৰিকাই কয়, যে ইয়াৰ ফলত এতিয়া ধেমাজি, লখিমপুৰ, মৰিগাঁও, মাজুলী, নলবাৰীকে ধৰি বিটিআৰ আৰু বৰাক উপত্যকাৰ জিলাসমূহত বানে বিশেষ ক্ষতি কৰিব পৰা নাই। তেওঁ কয়, যে সমগ্ৰ ৰাজ্যতে বান প্ৰতিৰোধৰ ক্ষেত্ৰত ৬০ৰ পৰা ৭০ শতাংশ কাম সম্পূৰ্ণ কৰা হৈছে আৰু অনাগত সময়ত ৰাজ্যখনৰ ৪ হাজাৰ ৫০০ কিলোমিটাৰ মথাউৰিৰ কাষে কাষে একোটাকৈ জিঅ' মেগা টিউব স্থাপন কৰা মথাউৰিসমূহ সম্পূৰ্ণৰূপে সুৰক্ষিত কৰি তোলা হ'ব।

উল্লেখযোগ্য যে ৰাজ্যত বান আৰু খহনীয়া নিয়ন্ত্ৰণ ব্যৱস্থা অধিক শক্তিশালী কৰাৰ লক্ষ্যৰে আই আই টি গুৱাহাটী আৰু জলসম্পদ বিভাগৰ মাজত সম্পন্ন হোৱা এই বুজাবুজিৰ চুক্তিৰ জৰিয়তে বিভাগটোৰ ২০ গৰাকী অভিযন্তাই প্ৰতিবছৰে আই আই টি গুৱাহাটীত জলসম্পদ বিষয়ত অনলাইন এম টেক পাঠ্যক্ৰমত নামভৰ্তিৰ সুযোগ লাভ কৰিব।

০০০০০

আত্মনিৰ্ভৰ অসম গঢ় দিয়াৰ লক্ষ্যৰে গঠিত অংকুৰিত অসমৰ প্ৰচেষ্টাত বিগত বৰ্ষৰ দৰে এইবাৰো কৃষকসকলক উৎসাহিত কৰাৰ বাবে কাইলৈ খানাপাৰা পশু চিকিৎসা মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত অংকুৰিত অসম

কৃষি বঁটা প্ৰদান কৰা হ'ব। কৃষি, উদ্যান শস্য, মীন পালন, হস্ততাঁত আৰু বস্ত্ৰশিল্প, পশুপালন আৰু কৃষি উদ্যমী এই ছটা শিতানত বঁটাসমূহ প্ৰদান কৰা হ'ব। তিনিগৰাকীকৈ শ্ৰেষ্ঠ কৃষকক নগদ ধনেৰে পুৰস্কৃত কৰা হ'ব। এই অনুষ্ঠানতে অংকুৰিত অসম কৃষক ৰত্ন বঁটাও প্ৰদান কৰা হ'ব।

ooooo

অসমৰ ল'ৰাৰ দলে দমন আৰু দিউত চলি থকা প্ৰথম খেলো ইণ্ডিয়া বীচ্চ গেমছৰ ছেপাকটাক্ৰ'ত সোণৰ পদক অৰ্জন কৰিছে। দলটোৱে কালি ফাইনেলত দিল্লীক ১৭-১৪, ১৫-১৩, ১৫-১১ ফলাফলত পৰাস্ত কৰে। একেদৰে টিপু পাটিৰে পেনছাক চিলাটত ল'ৰাৰ ৫৫ কিলোগ্ৰাম ওজন শাখাত ব্ৰঞ্জৰ পদক জয় কৰি ৰাজ্যলৈ গৌৰৱ কঢ়িয়াই আনে। খেলুৱৈগৰাকী কালি ছেমি ফাইনেলত পৰাস্ত হয়। ইপিনে, পেনছাক চিলাটৰ ল'ৰাৰ ৬৫ কিলোগ্ৰাম ওজন শাখাত প্ৰঞ্জল ৰাভা আৰু ছোৱালীৰ ৬৫ কিলোগ্ৰাম ওজন শাখাত লাকী দাসে ফাইনেলত প্ৰবেশ কৰি পদক নিশ্চিত কৰিছে। ছোৱালী ৭৫ কিলোগ্ৰাম ওজন শাখাত খেম কুমাৰীয়েও ছেমি ফাইনেলত প্ৰৱেশ কৰি পদক নিশ্চিত কৰিছে।

ooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱানিশা আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছে গুজৰাট টাইটানছক ৩৩ ৰানত পৰাস্ত কৰে। খেলখনত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত দুটা উইকেট হেৰুৱাই ২৩৫ ৰান সংগ্ৰহ কৰে। লক্ষ্ণৌৰ হৈ মিছেল মাৰ্শ্বে ৬৪টা বলত ১১৭ ৰান কৰে আৰু নিকোলাচ পূৰণে ২৭টা বলত ৫৬ ৰান কৰি আউট নোহোৱাকৈ থাকে। প্ৰত্যুত্তৰত গুজৰাট টাইটানছে নিৰ্ধাৰিত ২০ অভাৰত ৯টা উইকেটৰ বিনিময়ত ২০২ ৰানহে কৰিবলৈ সমৰ্থ হয়। মিছেল মাৰ্শ্বক প্লেয়াৰ অব্ দ্যা মেচ হিচাপে ঘোষণা কৰা হয়।

প্ৰতিযোগিতাত আজি লক্ষ্ণৌত হ'বলগীয়া এখন খেলত ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰু ছানৰাইজাৰ্ছ হায়দৰাবাদৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

ooooo

জম্মু-কাশ্মীৰৰ প্ৰাক্তন ৰাজ্যপাল সত্যপাল মালিকসহ পাঁচজনৰ বিৰুদ্ধে চি বি আইৰ চাৰ্জশ্বিট, পেহেলগাম কাণ্ডৰ এমাহ - মোদীৰ হুংকাৰৰ মাজতো তৎপৰ সন্ত্ৰাসবাদী, এ পি এছ চি কেলেংকাৰিৰ ১৩ অভিযুক্তৰ আবেদন উচ্চতম ন্যায়ালয়ৰ খাৰিজ, বিধান সভা নিৰ্বাচনলৈ ১০ মাহ- চৰম অস্থিৰতাত কংগ্ৰেছ, অনলাইন ট্ৰেডিং কেলেংকাৰিত অভিযুক্ত চুমি বৰাৰ মুক্তি আদি ভিন ভিন বাতৰিয়ে আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাত স্থান পাইছে। অমৃত ভাৰত ষ্টেচন আঁচনিৰ অধীনত দেশৰ বিভিন্ন স্থানৰ আন ১০৩টা ৰে'ল ষ্টেচনৰ লগতে ন-ৰূপত সজাই তোলা নগাঁও চহৰৰ হয়বৰগাঁৱৰ ৰে'ল ষ্টেচন প্ৰধানমন্ত্ৰী মোদীয়ে কালি ভাৰ্চুৱেলি মুকলি কৰাৰ বাতৰি **অসমীয়া প্ৰতিদিন** কাকতে বক্স বাতৰি হিচাপে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। সেন্দূৰ মচাসকলক ধূলিত মিলাই দিয়া হৈছে - ৰাজস্থান সীমান্তৰ পৰাই প্ৰধানমন্ত্ৰী মোদীয়ে পাকিস্তানক এইদৰে দিয়া কঠোৰ সকিয়নী **নিয়মীয়া বাৰ্তা** কাকতে মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

চলিত বৰ্ষৰ প্ৰথম ১৫০ দিনত নিৰাপত্তা বাহিনীৰ অভিযানত কমেও ৩০০ মাওবাদীয়ে প্ৰাণ হেৰুওৱাৰ বাতৰি **দৈনিক অগ্ৰদূত** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

শোণিতপুৰ আৰক্ষী ছাউনীত সংঘটিত গুলীচালনাৰ ঘটনা সংক্ৰান্তত দুজন আৰক্ষীক তৎকালীনভাৱে নিলম্বন কৰাৰ বাতৰি **অসমীয়া খবৰ** কাকতে প্ৰকাশ কৰিছে।

**সমন্বিত মীন পালন আৰু ধান খেতিৰে নলবাৰী জিলাৰ বৰ্ণিবাৰীৰ একাংশ কৃষকে উপাৰ্জন দুগুণলৈ বৃদ্ধি** কৰি অন্য কৃষকৰ বাবে নিদৰ্শন দেখুওৱাৰ এটা ইতিবাচক বাতৰি - ধান-মাছৰ সমন্বিত খেতিৰে উপকৃত ৰাজ্যৰ কৃষক শিৰোনামেৰে **দৈনিক অসম** কাকতে এংকৰ বাতৰি হিচাপে প্ৰকাশ কৰিছে।

**দৈনিক জনমভূমি** কাকতে উচ্চতম ন্যায়ালয়ৰ বিচাৰপীঠে কালি তামিলনাডুৰ এটা গোচৰক লৈ বিধি বলবৎকাৰী সঞ্চালকালয়ৰ কাম-কাজক কঠোৰ ভাষাৰে সমালোচনা কৰাৰ বাতৰি গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে।

নতুন দিল্লীত কালি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমনক সাক্ষাৎ কৰি আলোচনাত মিলিত হোৱাৰ বাতৰিক **দি আছাম ট্ৰিবিউন** আৰু **দা ছেণ্টিনেল** কাকতে আলোকচিত্ৰসহ প্ৰথম পৃষ্ঠাত স্থান দিছে।

আহক এতিয়া বাতৰি মাজলি ঘূৰি যাও-

ooooo

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে কাইলৈ নিশা ৮ বাজি ২ মিনিটৰ দৃষ্টিপাত অনুষ্ঠানত অপাৰেচন সিন্দূৰ আৰু ইয়াৰ পৰৱৰ্তী দিনকেইটাত সংবাদ মাধ্যমৰ ভূমিকা শীৰ্ষক এটা বিশেষ আলোচনা প্ৰচাৰ কৰিব। ইয়াত ভাগ ল'ব বিশিষ্ট গৱেষক, তেজপুৰ বিশ্ববিদ্যালয়ৰ অধ্যাপক ড০ চন্দন শৰ্মা আৰু সংবাদ মাধ্যম বিশেষজ্ঞ ৰামন বৰাই। অনুষ্ঠানটিৰ আঁত ধৰিব ৰাজীৱ লোচন বৰঠাকুৰে।

ooooo

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ লগতে বিজুলী-ঢেৰেকনিৰে দুই-এজাক বৰষুণ পৰাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩১ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ২৩ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অসম, মেঘালয়, মিজোৰাম, অৰুণাচল প্ৰদেশ, মণিপুৰ আৰু ত্ৰিপুৰাৰ ঠাই বিশেষে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি আগলি বতৰা দিছে।

ooooo

**সমাপ্ত**